Printed Pages—3

**3 (Sem–2) ASM MIL**

Bijni College Library
P.O. Bijni, Dist. Chirang
(B.T.A.D) Assam

**2 0 1 5**

# ASSAMESE

## ( Modern Indian Language )

*Full Marks* : 60

*Time* : 2½ hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ লিখাঁ : ১×৭=৭

(ক) 'ববাব পো' কোন?

(খ) 'তঞিঃ কৃষ্ণ-সম বাক্যসৱ বোলস' বুলি কাক কোৱা হৈছে?

(গ) উপকথা অনুসৰি 'মৌপিয়া চটকে' কি দাঙি লয়?

(ঘ) লম্বোদৰ ববাৰ মতে অসমীয়াৰ সুখৰ কাৰণ কি?

(ঙ) কোন শ্ৰেণী লোকৰ মুখ বিকশিত কমলৰ নিচিনা?

(চ) মাধৱদেৱৰ 'মহাপ্ৰস্থানিক গীত' কি?

(ছ) 'বিদ্ৰোহৰ বহ্নিত বা-দিওঁতা' লোকজন কোন?

২। চমু টোকা লিখাঁ : ২×৪=৮

(ক) ৰামানন্দৰ মাক

(খ) শ্ৰীভাগৱত-কথা

(গ) অৰুণোদইৰ গদ্য

(ঘ) বাণীকান্ত কাকতি

৩। ব্যাখ্যা লিখাঁ (যি কোনো তিনিছোৱা) : ৫×৩=১৫

(ক) বোলে বাপ গৰ বান্ধি যুঝাক একা ঃ ক্ষেত্ৰিয় বোলে কোনে ঃ বিনাগৰে যুজিলেহে যুদ্ধাক॥

(খ) হেন বিচিত্ৰ নগৰত ষোড়শ সহস্ৰ স্ত্ৰীৰ একপতি হয়া তাৰাৰ দিব্য গৃহত ততেক ৰূপে বিহাৰ কৰিলা।

(গ) সংসাৰ-ত্যাগী মাধৱদেৱক দাস্য-ভক্তিৰ মূৰ্ত্তিমান স্বৰূপ বুলিব পাৰি।

(ঘ) আন কাল অৰুণ কিৰণে দিগ-দিগন্ত প্ৰকাশ কৰে। সেই দিনাৰ অৰুণত চৌপাশে মৰলৰ ছাতি।

(ঙ) কিন্তু আমাৰ দেশত কিতাপ কিনোঁতা, কিনি পঢ়োঁতা, পঢ়ি বুজোঁতা, বুজি সমাদৰ কৰোঁতা লোক প্ৰায়েই নাই।

৪। (ক) 'গুৰু-শিষ্যৰ মণিকাঞ্চন সংযোগ' পাঠৰ আধাৰত শঙ্কৰ-মাধৱৰ সম্বন্ধ বিশ্লেষণ কৰাঁ। ১০

*অথবা*

(খ) পাঠ্যপুথিৰ আধাৰত কৃষ্ণলীলা বৰ্ণনা কৰাঁ।

৫। (ক) "কুসাহিয়াল লোকৰ দশা এই! চোৱা। এতিয়া সিহঁতৰ এই সাহিয়ালবোৰৰ কেতবোৰ ফাটক ঘৰত পৰি কেনেকপে কেঁকাব লাগিছে!" এই মন্তব্যৰ আঁত ধৰি নগঞা দ্ৰোহী লোকৰ চৰিত্ৰ বিশ্লেষণ কৰাঁ। ১০

*অথবা*

(খ) জীৱনৰ অমিয়া পান কৰিব বিচাৰিলে কি কি গুণ আয়ত্ত কৰিব লাগিব, নিৰ্দিষ্ট পাঠৰ আধাৰত বিৱৰি লিখাঁ।

৬। (ক) ড. বাণীকান্ত কাকতিক অনুসৰণ কৰি 'নামঘোষা'ৰ এটি মূল্যায়ন আগবঢ়োৱা। ১০

*অথবা*

(খ) মণিৰাম দেৱান কোন? পাঠ্যপুথিৰ আধাৰত তেওঁৰ বিষয়ে এটি সম্যক ধাৰণা দাঙি ধৰাঁ।

*অথবা*

(গ) পাঠ্যপুথিৰ আধাৰত সাহিত্য আৰু আৰ্টৰ সম্বন্ধ নিৰ্ণয় কৰি এটি প্ৰবন্ধ যুগুত কৰাঁ।

☆ ☆ ☆